দেশ

সৌৰভ দাসক পাছপ’ৰ্ট সন্দর্ভত কাৰণ দর্শোৱাৰ জাননী চেন্নাইৰ আঞ্চলিক পাছপ’ৰ্ট কার্যালয়ৰ

পাছপ’ৰ্টৰ আবেদনত তথ্য লুকুওৱাৰ অভিযোগত সৌৰভ দাস নামৰ লোকজনক চেন্নাইৰ আঞ্চলিক পাছপ’ৰ্ট কার্যালয়ে কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে বুলি সদৰী কৰিছে বৈদেশিক পৰিক্রমা মন্ত্রালয়ে।

প্রকাশ: ২৫ নৱেম্বৰ ২০২৬, নিশা ৮:০০



নতুন দিল্লী: পাছপ’ৰ্টৰ আবেদনত তথ্য লুকুওৱা তথা বিসংগতিৰ অভিযোগত সৌৰভ দাস নামৰ লোকজনক চেন্নাইৰ আঞ্চলিক পাছপ’ৰ্ট কার্যালয়ে কাৰণ দর্শোৱাৰ জাননী জাৰি কৰিছে। বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ মুখপাত্র ৰণধীৰ জয়ছোৱালে এই কথা স্পষ্ট কৰিছে।

মুখপাত্রগৰাকীয়ে জানিবলৈ দিয়া মতে, পাছপ’ৰ্টৰ আবেদন প্রক্রিয়াত আবেদনকাৰীয়ে সঠিক আৰু নির্ভুল তথ্য প্রদান কৰাটো বাধ্যতামূলক। কোনো পর্যায়ত যদি প্রশাসনে তথ্য লুকুওৱা বা কোনো অসঙ্গতি ধৰা পেলায়, তেন্তে আবেদনকাৰীক নিজৰ পক্ষ দাঙি ধৰাৰ সুযোগ দি কাৰণ দর্শোৱাৰ জাননী প্রেৰণ কৰা হয়।

আইন প্রয়োগকাৰী সংস্থাৰ প্রতিবেদনৰ ভিত্তিত চেন্নাইৰ আঞ্চলিক পাছপ’ৰ্ট কার্যালয়ে ২০২৬ চনৰ ২৩ নৱেম্বৰত

সৌৰভ দাসলৈ এই জাননী প্ৰেৰণ কৰিছিল। উক্ত জাননীত তেওঁৰ জন্মস্থান সন্দৰ্ভত সাত দিনৰ ভিতৰত স্পষ্টীকৰণ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

ইয়াৰ উপৰি নিজৰ উত্তৰ দাখিল নকৰালৈকে সংশ্লিষ্ট পাছপ'টঁখন ব্যৱহাৰ নকৰিবলৈও দাসক পৰামৰ্শ দিয়া হৈছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কয়,

> "যেতিয়া কোনো ব্যক্তিয়ে পাছপ'টঁৰ বাবে আবেদন কৰে আৰু পত্ৰ পূৰণ কৰে, তেতিয়া সঠিক তথ্য প্ৰদান কৰাটো নিয়ম। কৰ্তৃপক্ষই যদি কোনো বিসংগতি বা ত্ৰুটি ধৰা পেলায়, তেন্তে নিৰ্ধাৰিত নিয়ম অনুসৰি আবেদনকাৰী অথবা পাছপ'টঁধাৰীগৰাকীক কাৰণ দৰ্শোৱাৰ জাননী দিয়া হয়। মূল আবেদনত দিয়া তথ্যৰ সৈতে ওলোৱা অমিলৰ সন্দৰ্ভত ব্যক্তিগৰাকীৰ পৰা ব্যাখ্যা বিচৰাটোৱেই ইয়াৰ নিয়ম।"

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6387/mea-saurav-das-passport-show-cause-notice